4th semester
MIL (Assamese)
2020

১/ অতি চমুকৈ উত্তৰ লিখা।(১×৫=৫)

ক/ "অৱগাহন" শব্দটোৰ অৰ্থ কি?
খ/ "অৱগাহন" গল্পটো অণিমা দত্তৰ কোনখন গল্পপুথিত সন্নিৱিষ্ট হৈছে?
গ/ ডাক্তৰ চলিহাৰ সম্পূৰ্ণ নামটো লিখা।
ঘ/ "নিৰ্মল ভকত" কোন শ্ৰেণীৰ উপন্যাস?
ঙ/ পূৰ্ণানন্দ বৰা কোন আছিল?
২/ (চমু উত্তৰ দিয়া।( ২×৫=১০)
ক/ "পৃথিৱীৰ সকলো ধৰ্মৰ অতীত,কৰুণা আৰু মমতাৰে সিক্ত মধুময়ী সেই মাতৃৰূপ" কথাষাৰ কোনে কি প্ৰসংগত কৈছিল?
খ/ লক্ষ্মীনাথ ফুকনৰ দুখন গল্পপুথিৰ নাম লিখা।
গ/ কোনগৰাকী লেখকক উপন্যাস সম্ৰাট বুলি কোৱা হয়? তেখেতে ৰচনা কৰা সামাজিক উপন্যাসখনৰ নাম কি?
ঘ/ "নিৰ্মল ভকত" উপন্যাসখনৰ নাৰী চৰিত্ৰটোৰ নাম কি আছিল? এইখন উপন্যাসৰ পটভূমি কি?
ঙ/ ৰজনীকান্ত বৰদলৈৰ সৰ্বমুঠ উপন্যাস কেইখন আৰু পুৰুষ চৰিত্ৰ প্ৰধান উপন্যাস কোনখন?
৩/ চমুকৈ লিখা( যিকোনো তিনিটা- ৫×৩=১৫)
ক/চুটিগল্প।
খ/ৰজনীকান্ত বৰদলৈৰ চমু পৰিচয়।
গ/ঐতিহাসিক উপন্যাস।
ঘ/নিৰ্মল ভকত উপন্যাসৰ সংক্ষিপ্ত বিবৰণ।
৪/বহলাই লিখা(১০×২=২০)
ক/ অণিমা দত্তই "অৱগাহন" গল্পটোৰ মাজেৰে নাৰীৰ মনোজগতৰ সম্ভেদ কিদৰে দিছে আলোচনা কৰা।

অথবা

লক্ষ্মীনাথ ফুকনৰ "ডাক্তৰ" গল্পটোত গল্পকাৰৰ জীৱন দৰ্শন কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।
৫/ উপন্যাস কাক বোলে? ইয়াৰ উপাদান কেইটা আৰু কি কি ব্যাখ্যা কৰা

অথবা

চুটিগল্পৰ জনক বুলি কাক কোৱা হয়? তেখেতৰ সাহিত্য কৰ্মৰ বিষয়ে এটা চমু আলোচনা আগবঢ়োৱা।